# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-05-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। ৰাজ্যৰ দুৰ্গম আৰু বিপদসংকুল অঞ্চলৰ খিলঞ্জীয়া লোকৰ নিৰাপত্তাৰ বাবে অস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিবলৈ অসম মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। ২০২১-২২ চনত ৰাজ্যখনত সংঘটিত ভুৱা বুলি অভিযুক্ত সংঘৰ্ষৰ গোচৰসমূহ অসম মানৱ অধিকাৰ আয়োগৰ দ্বাৰা তদন্তৰ বাবে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ।

৩। পাকিস্তানৰ কোনো সংস্থাৰ সৈতে যোগাযোগ থকা অভিযোগ প্ৰদেশ কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি গৌৰৱ গগৈৰ অস্বীকাৰ। মুখ্যমন্ত্ৰীৰ বিপৰীত প্ৰতিক্ৰিয়া।

৪। জ্যেষ্ঠ অধিবক্তা শ্বামিমা জাহানৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে শপত গ্ৰহণ।

*আৰু*

৫। আই পি এল ২০২৫ৰ অন্তিম পৰ্যায়ৰ চাৰিটা দল চূড়ান্ত। প্ৰথম কোৱালিফায়াৰত পঞ্জাব কিংছ, ৰয়েল ছেলেঞ্জাৰ বাংগালুৰুৰ মুখামুখি।

ooooo

ৰাজ্যৰ দুৰ্গম আৰু বিপদসংকুল অঞ্চলত বসবাস কৰা খিলঞ্জীয়া লোকসকলৰ নিৰাপত্তাৰ বাবে অস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিবলৈ আজি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত দিছপুৰত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে নগাঁও, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, দৰং আদি জিলাৰ দুৰ্গম আৰু বিপদসংকুল অঞ্চলৰ থলুৱা লোকসকলক অস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিয়া হ'ব। অস্ত্ৰৰ অনুজ্ঞাপত্ৰ দিয়াৰ বাবে অসম আন্দোলনৰ পৰাই দাবী উত্থাপন হৈ আহিছিল বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই মন্তব্য কৰে।

**বাইট (চি এম)**

মন্ত্ৰীসভাৰ বৈঠকত সৰুসজাই ক্ৰীড়া প্ৰকল্প, এছ আই আৰ ডি আৰু মঙলদৈ ষ্টেডিয়ামৰ নাম সলনিতো অনুমোদন জনোৱা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা অনুসৰি সৰুসজাই ক্ৰীড়া প্ৰকল্প অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামেৰে নামকৰণ কৰা হ'ব। সেইদৰে এছ আই আৰ ডি-ৰ নাম গোলাপ বৰবৰা আৰু মঙলদৈ ষ্টেডিয়ামৰ নাম শেষৰজন দৰঙী ৰজা ধৰ্ম নাৰায়ণৰ নামেৰে জনা যাব।

ooooo

উচ্চতম ন্যায়ালয়ে আজি ভুৱা বুলি অভিযোগ উঠা অসমৰ সংঘৰ্ষৰ গোচৰসমূহ স্বতন্ত্ৰভাৱে তদন্ত কৰিবলৈ অসম মানৱাধিকাৰ আয়োগক নিৰ্দেশ দিছে। আৰিফ য়াচিন জোৱাদ্দাৰ নামৰ এজন অধিবক্তাই ২০২৩ চনত দাখিল কৰা এখন আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ সূৰ্যকান্ত আৰু এন ক'টিশ্বৰ সিঙৰ বিচাৰপীঠে ২০২১ৰ মে' আৰু ২০২২ চনৰ আগষ্টৰ ভিতৰত

সংঘটিত এনে ১৭১টা গোচৰৰ খৰটকীয়াভাৱে তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে। উচ্চতম ন্যায়ালয়ে যোৱা ২৫ ফেব্ৰুৱাৰীত স্বতন্ত্ৰ তদন্তৰ অনুৰোধ জনাই দাখিল কৰা আবেদনখন সন্দৰ্ভত ৰায় সংৰক্ষিত ৰাখিছিল।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে পাকিস্তানৰ কোনো সংস্থাৰ সৈতে তেওঁৰ কোনো প্ৰকাৰৰ যোগাযোগ থকাৰ অভিযোগ অস্বীকাৰ কৰিছে। আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীগগৈয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত উত্থাপন কৰা অভিযোগ সম্পূৰ্ণ ভিত্তিহীন বুলি অভিহিত কৰে। গগৈয়ে অৱশ্যে কয় যে ১৪-১৫ বছৰ আগতে তেওঁৰ পত্নীয়ে এটা আন্তৰ্জাতিক স্বেচ্ছাসেৱী সংগঠনত কাম কৰাৰ সূত্ৰে তেওঁয়ো পাকিস্তান ভ্ৰমণলৈ গৈছিল। এই ভ্ৰমণ সম্পূৰ্ণ বৈধ আছিল বুলিও শ্ৰীগগৈয়ে দাবী কৰে।

-বাইট (গৌৰৱ গগৈ)-

কংগ্ৰেছৰ নৱনিযুক্ত সভাপতিগৰাকীয়ে অভিযোগ কৰি কয় যে বিজেপিৰ ছত্ৰছায়াত উত্তৰ পূৰ্বাঞ্চল অবৈধ কয়লা আৰু মাদক দ্ৰব্যৰ কেন্দ্ৰৰূপে পৰিগণিত হৈছে। বিধি বলবৎকাৰী সঞ্চালকালয়ৰ শেহতীয়া তালাচী অভিযানৰ জেৰ টানি শ্ৰীগগৈয়ে বাস্তৱিক পৰিস্থিতি চিন্তাজনক বুলি অভিহিত কৰে আৰু শাসকীয় বিজেপি চৰকাৰে এই সমস্যাৰ প্ৰতি আওকান কৰা বুলি অভিযোগ তোলে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে অৱশেষত গৌৰৱ গগৈয়ে পাকিস্তানলৈ যোৱা কথাটো স্বীকাৰ কৰিছে আৰু গৌৰৱ গগৈ সম্পৰ্কত তেওঁ ইমান দিনে কৈ অহা কথাবোৰ সত্য বুলি প্ৰমাণ কৰিব বুলি ড০ শৰ্মাই সামাজিক মাধ্যম এক্সত প্ৰকাশ কৰিছে।

**ইপিনে, মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গৌৰৱ গগৈৰ পাকিস্তান ভ্ৰমণ সন্দৰ্ভত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰাক কাইলৈ দিনৰ ১১ বজাত উপস্থিত হবলৈ কৈছে।**

০০০০০

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শ্বামিমা জাহানে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে আজি শপতগ্ৰহণ কৰে। আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে-শ্বামিমা জাহানক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল, উচ্চপদস্থ চৰকাৰী বিষয়া আৰু ভালেকেইগৰাকী জ্যেষ্ঠ অধিবক্তা উপস্থিত আছিল। উল্লেখযোগ্য যে কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে পৰহি শ্বামিমা জাহানসহ ৭ গৰাকী জ্যেষ্ঠ অধিবক্তাক দেশৰ বিভিন্ন উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰূপে নিযুক্তি দিছিল।

০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে কাইলৈৰ পৰা ১২ জুনলৈ দেশজুৰি বিকশিত কৃষি সংকল্প অভিযানৰ আয়োজন কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে – দেশৰ ৭০০ খন জিলাৰ প্ৰায় ডেৰ কোটি কৃষকক কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰা। অসমতো এই অভিযানত ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি

লোৱাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে এই অভিযানৰ বাবে কৃষি বিভাগ, আনুষংগিক বিভাগ আৰু কৃষি বিজ্ঞানীসকলক লৈ ৫২টা গোট গঠন কৰা হৈছে। এই কাৰ্যসূচীৰ সময়ছোৱাত খাৰিফ শস্য উৎপাদনত সহায়ক হোৱাকৈ বহনক্ষম প্ৰযুক্তিৰ বিষয়ে প্ৰচাৰ, ছইল হেল্থ কাৰ্ডৰ আধাৰত সাৰৰ ব্যৱহাৰ, কৃষি খণ্ডৰ বিভিন্ন সমস্যাৰ অধ্যয়ন আৰু ইয়াৰ ওপৰত প্ৰাথমিকভাৱে গৱেষণাৰ ৰূপৰেখা তৈয়াৰ কৰা ব্যৱস্থা কৰা হ'ব।

এই অভিযানৰ অংশ হিচাপে ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰই জিলা প্ৰশাসন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগৰ সহযোগত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২টা স্থানৰ সকলো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হ'ব। ধেমাজিৰ বাটঘৰীয়া গাঁও পঞ্চায়তত কাইলৈ এই অভিযানৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থকাৰ কথা।

যোৰহাট জিলাত হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযান সফলভাৱে ৰূপায়ণৰ বাবে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিশেষ সভা অনুষ্ঠিত হয়। সভাত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী, জিলা কৃষি বিষয়া, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰতিনিধিকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

00000

অসম প্ৰকাশন পৰিষদৰ উ দ্যোগত অহা ১০ জুলাইৰ পৰা ২০ জুলাইলৈ গুৱাহাটীৰ চানমাৰীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত প্ৰথমবাৰৰ বাবে গুৱাহাটী শিশু মহোৎসৱৰ আয়োজন কৰা হৈছে। প্ৰকাশন পৰিষদৰ বামুণী মৈদামস্থিত কাৰ্যালয়ৰ সভাগৃহত এখন সংবাদমেলত সচিব প্ৰমোদ কলিতাই এই বিষয়ে প্ৰকাশ কৰে। ইতিম ধ্যে ১১ দিনীয়া এই মহোৎসৱৰ কাৰ্যসূচী যুগুত কৰা হৈছে। এই অনুসৰি ১০ জুলাইৰ উদ্বোধনী অনুষ্ঠানলৈ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক আমন্ত্ৰণ কৰা হব বুলি তেওঁ জানিবলৈ দিয়ে। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ ল ক্ষ্যৰে মহোৎসৱৰ ভিন্ন শিতানত প্ৰতিদিনে কৰ্মশালাৰ আয়োজন কৰা হব। নৃত্য, মুকাভিনয়, চিত্ৰাংকণ,নাটক, সংগীত, যোগাসন আদি বিষয়ত কৰ্মশালা অনুষ্ঠিত হব। দ্বিতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী লৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে প্ৰকাশন পৰিষদৰ ৱেবছাইটৰ পৰা প্ৰ-পত্ৰ ডাউনলোড কৰি নাইবা কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰি জমা দিব পাৰিব। কৰ্মশালাৰ উপৰি প্ৰতিদিনে সন্ধিয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে স্ব-প্ৰতিভা বিকাশৰ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে ১৫ জুনৰ ভিতৰত প্ৰ-পত্ৰ সংগ্ৰহ কৰি দাখিল কৰিব লাগিব।

00000

পঞ্চায়ত, গ্ৰামোন্নয়ন বিভাগৰ আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি চিৰাং জিলাত ৰূপায়িত হৈ থকা চৰকাৰী আঁচনিৰ কাম-কাজ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। কাজলগাঁৱত থকা জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত গ্ৰামোন্নয়ন , অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ লগতে পৰ্যটন বিভাগৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হয়। জিলাখনত ৰূপায়ণ কৰিবলগীয়া আঁচনিসমূহৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে বিভাগীয় মুৰব্বীসকলৰ সৈতে আলোচনা কৰে। নিৰ্ধাৰিত আঁচনিসমূহৰ ৰূপায়ণ সময়মতে কৰিবলৈ তেওঁ বিভাগীয় মুৰব্বীসকলক আহ্বান জনায়। মন্ত্ৰী শ্ৰীদাসে চিৰাং জিলাত গ্ৰামোন্নয়ন বিভাগে ৰূপায়ণ কৰা কাম-কাজত সন্তুষ্টি প্ৰকাশ কৰে। লগতে তেওঁ মানস ৰাষ্ট্ৰীয় উদ্যানৰ সীমান্তৱৰ্তী পানবাৰীত পৰ্যটন বিভাগৰ দ্বাৰা নতুন প্ৰকল্প নিৰ্মাণৰ পোষকতা কৰে। আজিৰ পৰ্যালোচনা বৈঠকত কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰী ,

বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায় , বিটিচিৰ উপাধ্যক্ষ অভিৰাম মহানায়কৰ লগতে চিৰাং জিলা আয়ুক্ত , গ্ৰামোন্নয়ন বিভাগৰ প্ৰকল্প সঞ্চালক, বিটিচিৰ পৰ্যটন বিভাগৰ বিষয়া, সংশ্লিষ্ট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

০০০০০

ধুবুৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি মেলেৰীয়া , জাপানীজ এনচেফেলাইটিছ আৰু অন্যান্য বাহকজনিত ৰোগ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বিভিন্ন বাহকজনিত ৰোগ নিয়ন্ত্ৰণৰ ৰাষ্ট্ৰীয় কেন্দ্ৰৰ দ্বাৰা এই ৰোগ নিয়ন্ত্ৰণৰ বাবে লবলগীয়া পদক্ষেপ সন্দৰ্ভত বিশদভাৱে আলোচনা কৰে। এই ৰোগ নিয়ন্ত্ৰণৰ বাবে ঔষধযুক্ত আঠুঁৱা বিতৰণৰ লগতে গ্ৰামাঞ্চলত ফগিং আৰু স্প্ৰেৰ ব্যৱস্থা কৰা হৈছে বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে। বাহকজনিত ৰোগৰ বাবে গাঁও আৰু বিদ্যালয় পৰ্যায়ত সজাগতা শিবিৰ অনুষ্ঠিত হোৱা বুলিও কৰ্তৃপক্ষই মন্তব্য কৰে। আজিৰ এই বৈঠকত জিলা আয়ুক্ত , অতিৰিক্ত আয়ুক্তসহ মুখ্য চিকিৎসা বিষয়া, বিভিন্ন খণ্ডৰ প্ৰাথমিক স্বাস্থ্য বিষয়া প্ৰমুখ্যে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০

স্নাতকোত্তৰ শিক্ষক পদৰ বাবে যোৱা ১৯ জানুৱাৰীত অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাত লাভ কৰা নম্বৰসমূহ অহা ৩০ মে'ৰ দিনৰ ১১ বজাৰ পৰা ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইটত উপলব্ধ হ'ব। এই সন্দৰ্ভত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক মমতা হোজায়ে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে ৱেবছাইটৰ পৰা নম্বৰসমূহ ডাউনলোড কৰিব পাৰিব। যিসকল প্ৰাৰ্থী নথিপত্ৰ পৰীক্ষাৰ বাবে বাছনি হ'ব, তেওঁলোকে প্ৰৱেশ পত্ৰ ডাউনল'ড কৰিব পাৰিব। বাছনি হোৱা প্ৰাৰ্থীসকলে পৰৱৰ্ত্তী নিৰ্ধাৰিত তাৰিখ আৰু সময়ত নথি পৰীক্ষণত উপস্থিত থাকিব লাগিব। নথি পৰীক্ষণ ছটা মণ্ডলত সম্পন্ন হ'ব বুলি জনোৱা হৈছে।

০০০০০

ধুবুৰী আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই ২২ জনক সন্দেহজনক নাগৰিকক আটক কৰে। আটক কৰা এই ২২ গৰাকী নাগৰিকৰ ভিতৰত একাংশক বিদেশী ন্যায়াধীকৰণ আদালতে ভাৰতীয় বুলি ৰায় প্ৰদান কৰিছে। বৰ্তমান কটকটীয়া নিৰাপত্তাৰ মাজত ধুবুৰী বি এন কলেজ আৰক্ষী চকীত লোককেইজনক ৰখা হৈছে।

০০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰীত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ-পূৰ্বাঞ্চলৰ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ সঞ্চালক সন্মিলন অনুষ্ঠিত হৈছে। এই উপলক্ষে ব্যাঘ্ৰ গণনাৰ প্ৰস্তুতি সম্পৰ্কে ক্ষেত্ৰ সঞ্চালকসকলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। আজিৰ বৈঠকখনত ১১ খন ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ সঞ্চালক আৰু উপ-ক্ষেত্ৰ সঞ্চালকসকলে অংশগ্ৰহণ কৰে বুলি মানস ৰাষ্ট্ৰীয় উদ্যান আৰু মানস ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক ড০ চি ৰমেশে জানিবলৈ দিয়ে।

০০০০০

বিটিআৰৰ নিৰ্বাচনত ৪০টা সমষ্টিতে বিজেপিয়ে প্ৰাৰ্থী দিব বুলি দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ঘোষণা কৰিছে। কালি ওদালগুৰিত বিজেপিৰ সক্ৰিয় কাৰ্যকৰ্তা সভা আৰু যোগদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদগৰাকীয়ে এই কথা প্ৰকাশ কৰে। এন ডি এত অসম গণ পৰিষদ, বিজেপি আৰু ইউ পি পি এলৰ মিত্ৰতা থকাৰ পাছতো বিটিআৰৰ নিৰ্বাচনত প্ৰতিটো দলে সুকীয়াকৈ অৱতীৰ্ণ হ'ব। অসম গণ পৰিষদে ১০ খন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে অবড়ো সুৰক্ষা সমিতি, অসমে এই নিৰ্বাচনত ১৫টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি কালি মুছলপুৰত এখন সংবাদমেলত প্ৰকাশ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৩১ মে’ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সেনাবাহিনীত কৰ্মসংস্থাপনৰ সুবিধা শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নৌবাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ সফলতাৰ আঁৰৰ কথাও প্ৰকাশ কৰিব। এই অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ ১০১ দশমিক ৬ মেগাহাৰ্টজ, অল ইণ্ডিয়া ৰেডিঅ’ এপৰ লগতে ফেচবুক পেজ AIRNEWSGHY.RNUত আৰু ইউটিউব চেনেল @AIRNEWSGUWAHATI ত লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাব।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, পঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। এই খেলখনত জয়লাভ কৰা দলটোৱে পোনে পোনে ফাইনেলত প্ৰৱেশ কৰিব। পৰাজিত দলটোৱে ফাইনেলত স্থান নিশ্চিত কৰাৰ আৰু এটা সুযোগ লাভ কৰিব।

প্ৰতিযোগিতাৰ পইণ্ট তালিকাত তৃতীয় স্থানত থকা গুজৰাট টাইটানছ অহা শুকুৰবাৰে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে এলিমিনেটৰ খেলাত অৱতীৰ্ণ হ’ব। এই খেলখনত জয়লাভ কৰা দলটো দ্বিতীয়খন কোৱালিফায়াৰত প্ৰথমখন কোৱালিফায়াৰত পৰাজিত দলটোৰ সন্মুখীন হ’ব।

যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে। এই জয়ৰ সুবাদত বেংগালুৰুৱে এই বছৰৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষৰ দুটা দলৰ ভিতৰত স্থান লাভ কৰিছে। তালিকাত পঞ্জাব শীৰ্ষ স্থানত আছে।

ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ২২৮ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰপ্ৰাপ্ত অধিনায়ক জিতেশ শৰ্মাৰ ৮৫ আৰু বিৰাট কোহলিৰ ৫৪ ৰাণৰ সহায়ত ১৮ অ’ভাৰ ৪টা বলতে মাত্ৰ চাৰিটা উইকেট হেৰুৱাই ২৩০ ৰাণ কৰে। জিতেশ শৰ্মাক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়।

00000

ডিব্ৰুগড় জিলাৰ দুলীয়াজান নিবাসী চেহিদা আহমেদ নামৰ মহিলাগৰাকীৰ আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। দুলীয়াজানৰ ক্ৰীড়া সাংবাদিক ৰফিকউদ্দিন আহমেদৰ মাতৃ চেহিদা আহমেদৰ মৃত্যুত বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত মহিলাগৰাকীৰ বয়স হৈছিল ৬৪ বছৰ।

00000

শিৱসাগৰ জিলাৰ নামতি খনিকৰ গাঁও নিবাসী লেখক, শিক্ষক সাংবাদিক জয়ন্ত কুমাৰ চুতীয়াৰ নিশা ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত মৃত্যু হয়। ৰাজহাড়ৰ সমস্যাত ভূগি থকা চুতীয়াৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৪৯ বছৰ। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

00000

সমাপ্ত